জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০৬/২০২১

# মৰিয়নি সমষ্টিৰ প্ৰাক্তন বিধায়ক অলক কুমাৰ ঘোষৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ০৭ আগষ্ট ঃ** মৰিয়নি সমষ্টিৰ প্ৰাক্তন বিধায়ক, বিশিষ্ট সমাজকৰ্মী, অসম ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ অলক কুমাৰ ঘোষৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত একান্ত নিষ্ঠাসহকাৰে অলক কুমাৰ ঘোষে ৰাজ্যখনৰ সমাজ জীৱনলৈ যি অৰিহণা আগবঢ়ালে সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। মৰিয়নি সমষ্টিৰ এগৰাকী বিধায়ক হৈ থকাৰ সময়ত সমষ্টিটোৰ উন্নয়নৰ ক্ষেত্ৰত তেখেতে যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছিল। অসম ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ হিচাপেও তেওঁ ৰাজ্যখনৰ ভাষিক সংখ্যালঘুসকলৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে কাম কৰি গৈছে। এইগৰাকী প্ৰাক্তন বিধায়কৰ বিয়োগ মৰিয়নি সমষ্টিবাসীৰ লগতে আমাৰ ৰাজ্যখনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অলক কুমাৰ ঘোষৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**০৭/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in